অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020
কৰ্ম মোৰ সংস্কৃতি
☏: 0361-2557921 (Principal)
0361-2654229 (Office)
e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : অজাবি/০০৯/১৩/২২-২৩ তাৰিখ : ২২-০৮-২০২২
Ref : Date :

# অসম জাতীয় বিদ্যালয়ত 'আন্তঃবিদ্যালয় সাহিত্য প্ৰতিযোগিতা'ৰ আয়োজন

**নুনমাটি, ২২ আগষ্ট, ২০২২ :** পূৰ্বৰ দৰে এই বছৰো অসম জাতীয় বিদ্যালয়ত অহা ১৪ অক্টোবৰ তাৰিখে ৰসৰাজ সাহিত্য চ'ৰাৰ উদ্যোগত সাহিত্য দিৱসৰ আয়োজন কৰা হৈছে। সাহিত্য প্ৰতিযোগিতাসমূহ তিনিটা শাখাত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ তিনিওটা শাখাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ হিচাপে ক্ৰমে ৩০০০, ২০০০ আৰু ১৫০০ টকা নগদ ধনৰ লগতে মূল্যবান গ্ৰন্থৰ টোপোলা আগবঢ়োৱা হ'ব।

সাহিত্য প্ৰতিযোগিতা

**ক শাখা (ষষ্ঠ আৰু সপ্তম শ্ৰেণী)**

**বিষয় :** পদ্যৰ গদ্য ৰূপ, নিৰ্বাচিত পদ্য : গছ ভালপোৱা ককাৰ খং
ড° ভবেন্দ্ৰনাথ শইকীয়া

**খ শাখা (অষ্টম আৰু নৱম শ্ৰেণী)**

**বিষয় :** গদ্যৰ পদ্য ৰূপ : তিনিটা মাছৰ কথা, পঞ্চতন্ত্ৰৰ সাধু

**গ শাখা (দশম, একাদশ আৰু দ্বাদশ শ্ৰেণী)**

**বিষয় :** অসমীয়া ভাষা সাহিত্যৰ প্ৰতিষ্ঠাত পদ্মনাথ গোহাঞি বৰুৱাৰ ভূমিকা : (১০০০-১৫০০ শব্দৰ ভিতৰত)
ইচ্ছুক প্ৰতিযোগীসকলে তেওঁলোকৰ লেখাসমূহ অহা ১৫ ছেপ্টেম্বৰ, ২০২২ তাৰিখ অথবা তাৰ আগতে উৎপল ডেকা, আহ্বায়ক ৰসৰাজ সাহিত্য চ'ৰা, অসম জাতীয় বিদ্যালয়, নুনমাটি, গুৱাহাটী-৭৮১০২০ ঠিকনালৈ ডাকযোগে অথবা বিদ্যালয়ৰ email : assamjatiyabidyalay@gmail.com লৈ পঠিয়াব লাগিব। ইচ্ছুক প্ৰতিযোগীসকলে ৮০১১৪৭২৭৪৪, ৯১০১২২৭৫৬৬, ৯৭০৬৩৮৯৫৯১ নম্বৰত ফোন কৰিও যোগাযোগ কৰিব পাৰিব। প্ৰতিযোগীসকলে প্ৰতিযোগিতাৰ নিয়মাৱলী বিদ্যালয়ৰ ৱেবছাইট http :// assamjatiyabidyalay.com পাব। (পদ্যৰ গদ্য ৰূপ আৰু গদ্যৰ পদ্য ৰূপৰ বাবে নিৰ্দ্ধাৰিত পাঠসমূহ বিদ্যালয়ৰ ৱেবছাইটৰ পৰা ডাউনলোড কৰি ল'ব পাৰিব।)

উৎপল ডেকা
(উৎপল ডেকা)
আহ্বায়ক
ৰসৰাজ সাহিত্য চ'ৰা
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০

(ঘনশ্যাম মোধ)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০

অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

কৰ্ম মোৰ সংস্কৃতি

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ :
Ref :

তাৰিখ : ২২-০৮-২০২২
Date :

# সাহিত্য প্ৰতিযোগিতাৰ নিয়মাৱলী

**২০২২ বৰ্ষৰ ১৪ অক্টোবৰত উদ্‌যাপন কৰিবলগা 'সাহিত্য দিৱস'ৰ প্ৰতিযোগিতাৰ নিয়মাৱলী :**

১। প্ৰতিযোগীসকলে নিজৰ নাম, ঠিকনা আৰু ফ'ন নম্বৰ স্পষ্টকৈ লিখি পঠিয়াব লাগিব।

২। A4 আকাৰৰ কাগজৰ এটা পিঠিত লেখাসমূহ নিজৰ হাতৰ আখৰেৰে লিখিব লাগিব।

৩। লিখনিত মৌলিকতা প্ৰকাশ পাব লাগিব।

৪। বিদ্যালয়ৰ অধ্যক্ষ/প্ৰধান শিক্ষকৰ স্বাক্ষৰ সম্বলিত প্ৰমাণপত্ৰ একোখন লগত পঠিয়াব লাগিব।

৫। ৮০১১৪৭২৭৪৪, ৯১০১২২৭৫৬৬, ৯৭০৬৩৮৯৫৯১ নম্বৰত যোগাযোগ কৰিব পাৰিব।

৬। লেখাসমূহ ১৫/০৯/২০২২ তাৰিখ বা তাৰ আগত পোৱাকৈ তলৰ ঠিকনাত ডাকযোগে অথবা বিদ্যালয়ৰ email : assamjatiyabidyalay@gmail.com লৈ পঠিয়াব পাৰিব।

**যোগাযোগৰ ঠিকনা :**

উৎপল ডেকা
(আহ্বায়ক)
সাহিত্য দিৱস
অসম জাতীয় বিদ্যালয়
লাষ্টগেট, নুনমাটি, গুৱাহাটী-৭৮১০২০

# গছ ভাল পোৱা ককাৰ খং





ভাল পালোঁ ৰঘুনাথ
তুমি মোক পুতেৰাৰ
বিয়ালৈ মাতিলা,
পিছে ৰভাখন দিবলৈকে
আমলখি গছজোপা
কিয়নো কাটিলা?
আলহী-অতিথি যাব
ৰভা নাইকিয়া হ'ব
বোৱাৰীয়ে ঘৰখন
দিবহি পূৰাই,
পিছে কোৱাচোন ৰঘুনাথ
আমলখি গছজোপা
সহজতে
পাবানে ঘূৰাই?
দৰাটিক মাতাচোন
এজোলোকা আশীৰ্বাদ
দিওঁ আৰু যাওঁ
গছজোপা কটা বাবে
লুচি ভাজি ৰসগোল্লা
একোকে নাখাওঁ।

# তিনিটা মাছৰ কথা



এখন বিলৰ কথা। বিলখনত মাছৰ তিনিখন সৰু সৰু গাঁও আছিল। তিনিওখন গাঁৱৰ মাছবোৰৰ বৰ মিলা-প্ৰীতি আছিল। গাঁও তিনিখনৰ তিনিজন গাঁওবুঢ়াও আছিল। তেওঁলোকৰ নাম আছিল—অনাগতবিধাতা, প্ৰত্যুৎপন্নমতি আৰু যদ্‌ভৱিষ্য।

এদিন আবেলি পানী-যুঁৱলিত থকা মেটেকাৰ তলত অনাগতবিধাতা নামৰ গাঁওবুঢ়াজনে খাই-বৈ উঠি জিৰণি লৈছে। হঠাতে সি কাৰোবাৰ মাত শুনা পালে। মেটেকাৰ আঁৰ লৈয়ে অনাগতবিধাতাই পাৰলৈ চাই দেখিলে, এদল মাছমৰীয়া, হাতত জাল-জাকৈ। ভয়ত তাৰ কঁপনি উঠিল।

মাছমৰীয়াসকলৰ এজনে আনবোৰক ক'লে, "এই পুখুৰীটোত বহুত মাছ আছে। কাইলৈ ৰাতিপুৱাই ইয়ালৈ মাছ মাৰিবলৈ আহিব লাগিব।"

মাছমৰীয়াৰ এনে কথা শুনি অনাগতবিধাতা চিন্তিত হ'ল। সি তিনিওখন গাঁৱৰ সকলো মাছকে মাতি এখন সভা পাতিলে। সভাত গাঁওবুঢ়া অনাগতবিধাতাই আন মাছবোৰক উদ্দেশ্য কৰি ক'লে, "বন্ধুসকল, এদল মাছমৰীয়াই কাইলৈ ৰাতিপুৱাই ইয়ালৈ মাছ মাৰিবলৈ আহিব। গতিকে আমি বাচি থাকিবলৈ অইন এখন বিললৈ যোৱাটোহে ভাল হ'ব।"

অনাগতবিধাতাৰ কথা শুনি প্ৰত্যুৎপন্নমতিয়ে ক'লে, "কিন্তু ককা-আইতাৰ দিনৰ পৰা বাস কৰি থকা এই বিলখন হঠাতে এৰোঁ কেনেকৈ? গতিকে ৰাতিপুৱালৈ অপেক্ষা কৰোঁ।"

অনাগতবিধাতা আৰু প্ৰত্যুৎপন্নমতিৰ কথাবোৰ শুনি যদ্‌ভৱিষ্যাই ক'লে, "এইবোৰ সকলো ভাগ্যৰ কথা। ভাগ্যত যি আছে সেয়ে হ'ব। আমি ক'লৈকো নাযাওঁ।"

প্ৰত্যুৎপন্নমতি আৰু যদ্‌ভৱিষ্যৰ কথা শুনি অনাগতবিধাতাই তেওঁৰ গাঁওখনৰ মাছবোৰক লগত লৈ ৰাতিয়েই আন এখন বিললৈ গুচি গ'ল।

পিছদিনা পুৱাই জাল-জাকৈ লৈ মাছমৰীয়াৰ দলটো বিলখনৰ পাৰত উপস্থিত হ'ল। সিহঁতে এফালৰ পৰা জালেৰে আগুৰি বিলখনৰ মাছবোৰ পাৰলৈ তুলিলে। প্ৰত্যুৎপন্নমতি আৰু তাৰ গাঁৱৰ মাছবোৰক থ'লে একেলগে এটা ডাঙৰ পাচিত। যদ্‌ভৱিষ্যক থ'লে আন এটা পাচিত। মাছ মৰা হ'লত মাছমৰীয়াকেইজনে মাছবোৰ ধুবলৈ বুলি বিলৰ পানীত





প্ৰত্যুৎপন্নমতি থকা পাচিটো নমালে। পাচিটো পানীত নমোৱাৰ লগে লগে প্ৰত্যুৎপন্নমতিয়ে তাৰ কাঁইটেৰে পাচি ধৰি থকা মাছমৰীয়াজনৰ হাতত বিন্ধি দিলে। বিষত পাচিটোৰ পৰা মাছমৰীয়াজনৰ হাত এৰা খাই গ'ল। পাচিটো পানীত এৰি দিয়াৰ লগে লগেই প্ৰত্যুৎপন্নমতিয়ে লগৰীয়াসকলৰ সৈতে পলাই সাৰিলে।

ইফালে যদ্‌ভৱিষ্যই পাচিত ধৰফৰাই আছিল। প্ৰতুৎপন্নমতিক এইদৰে হেৰুৱাই মাছমৰীয়াজনে খঙতে যদ্‌ভৱিষ্যক টাঙোন এডালেৰে একোব মৰাৰ লগে লগে তাৰ জীৱ উৰি গ'ল।

এনেদৰে অনাগতবিধাতাই লগৰীয়া মাছবোৰৰ সৈতে বিপদ অহাৰ আগেয়েই হাত সাৰিলে। প্ৰত্যুৎপন্নমতিয়েও উপস্থিত বুদ্ধিৰে বিপদৰ পৰা হাত সাৰিলে। কিন্তু ভাগ্যক ধিয়াই বহি থকা যদ্‌ভৱিষ্যৰ বিনাশ হ'ল।